# মহাত্মা গান্ধী আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰাম

**অতি চমু উত্তৰৰ প্ৰশ্ন :**

**১। মহাত্মা গান্ধীৰ কেতিয়া জন্ম হৈছিল ?**

**উত্তৰঃ** মহাত্মা গান্ধীৰ ১৮৬৯ চনৰ ২ অক্টোবৰ তাৰিখে গুজৰাটৰ পাোৰবন্দত জন্ম হৈছিল ।

**২। সত্যাগ্ৰহৰ কৌশল গান্ধীয়ে কোন দেশত পাোন প্ৰথমতে প্ৰয়াোগ কৰিছিল ?**

**উত্তৰঃ** সত্যাগ্ৰহৰ কৌশল গান্ধীয়ে দক্ষিণ আফ্ৰিকা দেশত পাোন প্ৰথমতে প্ৰয়াোগ কৰিছিল ।

**৩। ৰবীন্দ্ৰনাথ ঠাকুৰে কিয় নাইট'উপাধি ত্যাগ কৰিছিল ?**

**উত্তৰঃ** জালিৱান ৱালাবাগৰ  হত্যাকাণ্ডৰ প্ৰতিবাদত ৰবীন্দ্ৰনাথ ঠাকুৰে নাইট ' উপাধি ত্যাগ কৰিছিল ।

**৪। কাৰ কাৰ নেতৃত্বত ভাৰতৰ খিলাফৎ আন্দোলনৰ সূচনা হৈছিল ?**

**উত্তৰঃ** মৌলানা চৌকত আলি আৰু মহম্মদ আলিৰ নেতৃত্বত ভাৰতৰ খিলাফৎ আন্দোলনৰ সূচনা হৈছিল ।

**৫। চৌৰীচৌৰা ঘটনা কেতিয়া সংঘটিত হৈছিল ?**

**উত্তৰঃ** চৌৰীচৌৰা ঘটনা ১৯২২ চনৰ ফেব্ৰুৱাৰীত মাহত সংঘটিত হৈছিল ।

**৬। কেনে পৰিস্থিতিত লালা লাজপত ৰায়ৰ মৃত্যু হৈছিল ?**

**উত্তৰঃ** ১৯২৭ চনত চাইমন কমিছন ভাৰতত পদাৰ্পণ ৱাৰ পৰিপ্ৰেক্ষিতত লালা লাজপত ৰায়ৰ নেতৃত্বত প্ৰতিবাদী সমদলে প্ৰতিবাদ সাব্যস্ত কৰোঁতে সমদলটোৰ ওপৰত লাঠী চালনাৰ ফলস্বৰূপে লালা লাজপত ৰায় গুৰুতৰভাৱে আহত হয় । এই আঘাতত তেওঁৰ মৃত্যু হয় ।

**৭। কেতিয়া আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ কোনখন অধিৱেশনত ভাৰতীয়সকলৰ মূল দাবী হিচাপে পূৰ্ণ স্বৰাজৰ দাবী উত্থাপন কৰা হৈছিল ?**

**উত্তৰঃ** ১৯২৯ চনত লাহাৰেত অনুষ্ঠিত কংগ্ৰেছ অধিৱেশনত ভাৰতীয়সকলৰ মূল দাবী হিচাপে পূৰ্ণ স্বৰাজৰ দাবী উত্থাপন হৈছিল ।

**৮। গান্ধীজীয়ে সমতী আশ্ৰমৰ পৰা দাণ্ডিৰ সাগৰ পাৰলৈ লাণে আইন ভংগ কৰিবলৈ গৈছিল । সবৰমতী আশ্ৰম আৰু দাণ্ডিৰ মাজত দূৰত্ব কিমান ?**

**উত্তৰঃ** গান্ধীজীয়ে সমতী আশ্ৰমৰ পৰা দাণ্ডিৰ সাগৰ পাৰলৈ লাণে আইন ভংগ কৰিবলৈ গৈছিল । সবৰমতী আশ্ৰম আৰু দাণ্ডিৰ মাজত দূৰত্ব আছিল ৩৮৫ কিঃমিঃ ।

**৯। সীমান্ত গান্ধী নামেৰে কাক জনা যায় ?**

**উত্তৰঃ** সীমান্ত গান্ধী নামেৰে খান আব্দুল গফৰক জনা  যায় ।

**১০। লণ্ডনত অনুষ্ঠিত হাৱো দ্বিতীয় ঘূৰণীয়া মেজমেলত কোনে কংগ্ৰেছক এককভাবে প্ৰতিনিধিত্ব কৰিছিল ?**

**উত্তৰঃ** লণ্ডনত অনুষ্ঠিত হাৱা দ্বিতীয় ঘূৰণীয়া মেজমেলত মহাত্মা গান্ধীয়ে কংগ্ৰেছক এককভাবে প্ৰতিনিধিত্ব কৰিছিল ।

**১১।  ১৯৩২ চনত সাম্প্ৰদায়িক বাটোৱাৰা ঘাষেণা কৰা বৃটিছ প্ৰধানমন্ত্ৰীজনৰ নাম কিআছিল ?**

**উত্তৰঃ** ১৯৩২ চনত সাম্প্ৰদায়িক বাটোৱাৰা ঘাষেণা কৰা বৃটিছ প্ৰধানমন্ত্ৰীজনৰ নাম হ'ল-  ৰামছে মেকডোনাল্ড ।

**১২। কোনটো আন্দোলনৰ সময়ছোৱাত গান্ধীজীয়ে 'কৰিম কিম্বা মৰিম ' শ্লোগান দিছিল ?**

**উত্তৰঃ**১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ছোৱাত গান্ধীজীয়ে 'কৰিম কিম্বা মৰিম ' শ্লোগান দিছিল ।

**১৩। আজাদ হিন্দ ফৌজৰ প্ৰতিষ্ঠাতা কোন ?**

**উত্তৰঃ** আজাদ হিন্দ ফৌজৰ প্ৰতিষ্ঠাতা হ’ল- ৰাসবিহাৰী বসু ( পাোন প্ৰথমে ধাৰণাটো পাোষণ কৰিছিল কেপ্টেইন মাোহন সিঙে ) ।

**১৪। “মোক তেজ দিয়া , মই তাোমালাোকক স্বাধীনতা দিম ” এই বিখ্যাত বাণীটো কোন ভাৰতীয় নেতাৰ আছিল ?**

**উত্তৰঃ** “মোক তেজ দিয়া , মই তাোমালাোকক স্বাধীনতা দিম ” এই বিখ্যাত বাণীটো সুভাষ চন্দ্ৰ বসুৰ আছিল ।

**১৫। ভাৰত আৰু পাকিস্তানৰ মাজৰ সীমাৰেখাক কি নামেৰে জনা যায় ?**

**উত্তৰঃ** ভাৰত আৰু পাকিস্তানৰ মাজৰ সীমাৰেখাক ৰেডক্লিফ ৰেখা নামেৰে জনা যায় ।

## দীঘল উত্তৰৰ প্ৰশ্ন :

**১। সত্যাগ্ৰহ বুলিলে কি বুজা ?যি তিনিটা স্থানীয় বিবাদৰ ক্ষেত্ৰত গান্ধীয়ে সত্যাগ্ৰহক প্ৰথমতে প্ৰয়াোগ কৰিছিল সেই তিনিটাৰ বিষয়ে সংক্ষিপ্ত ৰূপত লিখা ।**

**উত্তৰঃ** দক্ষিণ আফ্ৰিকাত থকা অৱস্থাত মহাত্মা গান্ধীয়ে সত্যাগ্ৰহৰ ধাৰণাটোৰ বিকাশ সাধন কৰিছিল । দক্ষিণ আফ্ৰিকাৰ চৰকাৰৰ বৈষম্যমূলক পদক্ষেপৰ বিৰুদ্ধে প্ৰতিৰোধৰ মুখ্য অস্ত্ৰ হিচাপে তেওঁ এই ধাৰণাটো ব্যৱহাৰ কৰিছিল । সত্যাগ্ৰহ শব্দটো ‘সত্য’ আৰু ‘আগ্ৰহ’ শব্দ দুটা মিলিত হৈ সৃষ্টি হৈছে ।

ইয়াৰ অৰ্থ হৈছে ‘ সত্যৰ প্ৰতি আগ্ৰহ ‘ । সত্যাগ্ৰহৰ ভিত্তি হৈছে অহিংসা আৰু সত্য । এয়া হৈছে ক্ষোভ – অসন্তুষ্টি প্ৰকাশৰ শান্তিপূৰ্ণ উপায় অৱলম্বনেৰে ক্ষমতাৰ বিৰুদ্ধে নিৰস্ত্ৰ সংগ্ৰাম । এয়া হৈছে বেয়াৰ বিৰুদ্ধে ভাল , ঘৃণাৰ বিৰুদ্ধে প্ৰেম আদিৰে কৰা সংগ্ৰামৰ অনুশীলন ‘ ।

অৱশেষত দক্ষিণ আফ্ৰিকা আৰু ভাৰত উভয়তে ব্ৰিটিছৰ বিৰুদ্ধে সংগ্ৰামত অৱতীৰ্ণ হাোৱাৰ ক্ষেত্ৰত সত্যাগ্ৰহ গান্ধীজীৰ মুখ্য অস্ত্ৰ হৈ পৰিল । ১৯১৫ চনত গান্ধীজীয়ে ভাৰতত উপনীত হৈ সঠিক ধৰণে আৰু বিস্তৃতভাৱে সত্যাগ্ৰহ আন্দোলন সংগঠিত কৰিছিল । দক্ষিণ আফ্ৰিকাত তেওঁ আহৰণ কৰা শিকনি তেওঁৰ পথ প্ৰদৰ্শনকাৰি নীতি হৈ পৰে ।

যি  তিনিটা স্থানীয় বিবাদৰ ক্ষেত্ৰত গান্ধীয়ে সত্যাগ্ৰহক প্ৰথমতে প্ৰয়োগ কৰিছিল সেই তিনিটাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল-

**(ক) চম্পাৰণ ( উত্তৰ ৰিহাৰ ) বিবাদ :-** ১৯১৭ চনত গান্ধীয়ে বিহাৰৰ চম্পাৰণৰ নিপীড়িত নীল খেতিৰ শ্ৰমিকসকলৰ বিষয়টোত দৃষ্টি নিবদ্ধ কৰিছিল । শ্ৰমিকসকলে চহকী নীল খেতিৰ গৰাকীসকলৰ অসংগত ব্যৱস্থাপনাৰ বাবে অশেষ যাতনা ভোগ কৰিবলগীয়া হৈছিল ।

**(খ) খেড়া ( গুজৰাট ) বিবাদ :-** ১৯১৮ চনত গুজৰাটৰ খেড়া জিলাত শস্য নষ্ট হোৱাৰ সত্ত্বেও চৰকাৰে ভূমি ৰাজহ ৰেহাই দিবলৈ অমান্তি হৈছিল , সম্পূৰ্ণ মাত্ৰাত ৰাজহ সংগ্ৰহৰহে পোষকতা কৰিছিল । মহাত্মা গান্ধীয়ে কৃষকসকলক সমৰ্থন কৰিছিল আৰু কৃষকসকলৰ ৰাজহ ৰেহাইৰ দাবী মানি নোলোৱালৈকে ৰাজহ পৰিশোধন কৰিবলৈ তেওঁলোক পৰামৰ্শ প্ৰদান কৰিছিল ।

**আহমেদাবাদ ( গুজৰাট ) বিবাদ :-**  আহমেদাবাদৰ মিল শ্ৰমিক আৰু মিল মালিকসকলৰ মাজৰ বিবাদ মীমাংসা কৰিবলৈ সত্যাগ্ৰহক কৌশল হিচাপে প্ৰয়োগ কৰিছিল ।

**২। ভাৰতত খিলাফৎ আন্দোলন কিয় আৰম্ভ হৈছিল ?**

**উত্তৰঃ** প্ৰথম বিশ্বযুদ্ধত তুৰ্কীসকলৰ পৰাজয়ৰ পৰিণতিত খলিফাৰ ক্ষমতা বৃহৎ মাত্ৰাত হ্ৰাস পালে । যেতিয়া মুছলমানসকলে উপলব্ধি কৰিলে যে তেওঁলোকে খলিফা বা আধ্যাত্মিক গুৰু হিচাপে বিবেচনা তুৰস্কাৰ  সম্ৰাট তুৰস্কৰ পবিত্ৰ ঠাইবোৰৰ পৰত নিয়ন্ত্ৰণ নাইকিয়া হ'ল , তেতিয়া তেওঁলোক যথেষ্ট শংকিত হ'ল ।

গতিকে , তুৰস্কৰ সম্ৰাটক ইছলামৰ খলিফা বা ধ্যাত্মিক গুৰু হিচাপে পূৰ্বৰ মৰ্যাদালৈ ঘূৰাই নিয়াৰ উদ্দেশ্যে মৌলানা চৌকত আলি আৰু মহম্মদ আলিৰ নেতৃত্বত ভাৰতৰ মুছলমানসকলে খিলাফৎ আন্দোলন আৰম্ভ কৰে । গান্ধীজীয়ে হিন্দু আৰু মুছলমান লোকসকলক ঐক্যবদ্ধ কৰাৰ লক্ষ্যেৰে এই আন্দোলনলৈ সমৰ্থন আগবঢ়াইছিল ।

**৩।  ১৯২০-২২ চনত গান্ধীজীয়ে কিয় অসহযোগ আন্দোলন আৰম্ভ কৰিছিল ? ইয়াৰ কাৰ্যসূচী কি আছিল ? গান্ধীজীয়ে কিয় এই আন্দোলন বন্ধ কৰিছিল ?**

**উত্তৰঃ** ১৯২০-২২ চনত গান্ধীজীয়ে অসহযোগ আন্দোলন আৰম্ভৰ কেইবাটাও কাৰক আছিল । এই কেইটা হৈছে –

(ক) প্ৰথম বিশ্বযুদ্ধত ভাৰতে ব্ৰিটেইনক সমৰ্থন কৰাৰ ফলস্বৰূপে অৰ্থনীতিত নেতিবাচক প্ৰভাৱ পৰিছিল। এই যুদ্ধত ভাৰতৰ শ শ লাোৰ মৃত্যু হৈছিল।

(খ) ১৯১৯ চনৰ ৰাওলাট আইনে ভাৰতীয়সকলৰ ওপৰত দমনমূলক পদক্ষেপ গ্ৰহণ কৰা বুলি ভাৰতীয়সকলে অনুভৱ কৰিবলৈ আৰম্ভ কৰিছিল। এই আইনৰ অধীনত সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত বুলি সন্দেহ হাোৱা লাোকসকলক বিনা বিচাৰে ২ বছৰৰ বাবে কাৰাৰুদ্ধ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

(গ) ১১১৯ চনৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ডই ভাৰতীয়সকলক মৰ্মাহত কৰিছিল আৰু ব্ৰিটিছক বিতাড়িত কৰিবলৈ দৃঢ়সংকল্পবদ্ধ হৈছিল।

(ঘ) ব্ৰিটিছসকলে ভাৰতত কৰা অৰ্থনৈতিক শাোষণ সন্দৰ্ভত ভাৰতীয়সকলে উপলব্ধিৰ ফলত গান্ধীজীৰ আন্দোলনে জনসমৰ্থন আদায় কৰিব পাৰিছিল।

(ঙ) তুৰস্কৰ সম্ৰাটৰ মৰ্যাদা ঘূৰাই অনাৰ উদ্দেশ্যে ভাৰতীয় মুছলমানসকলে খিলাফৎ আন্দোলন আৰম্ভ কৰিছিল আৰু গান্ধীজীয়ে এই আন্দোলনলৈ সমৰ্থন আগবঢ়াইছিল।

এই আন্দোলনৰ কেইটামান কাৰ্যসূচীতলত উল্লেখ কৰা হল-

(ক) দেশৰ বিভিন্ন স্থানত বিদেশী বস্ত্ৰ দহ কৰা হয়।

(খ) বিদেশী বস্তু আৰু সুৰা বিক্ৰী কৰা দোকান বিলাক বৰ্জন কৰা হৈছিল।

(গ) বৃহৎসংখ্যক ছাত্ৰ – ছাত্ৰীয়ে চৰকাৰী বিদ্যালয় – মহাবিদ্যালয় এৰিছিল।

(ঘ) কাশী বিদ্যাপীঠ, বেনাৰস বিদ্যাপীঠৰ লগতে আলিগড়ত জাতীয় মুছলিম বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

(ঙ) কংগ্ৰেছে প্ৰায় চল্লিশ লাখ স্বেচ্ছাসেৱকক সদস্যভুক্ত কৰিছিল।

(চ) বিশ হাজাৰ যতন নিৰ্মাণ কৰি বিতৰণ কৰা হয়।

(ছ) ৰাইজৰ আদালতৰ জৰিয়তে বিবাদৰ মীমাংসা কৰিবলৈ আৰম্ভ কৰিছিল।

(জ) অসহযাোগ আন্দোলনৰ ঘৰচ বহনকাৰী তিলকশ্বৰাজ পুঁজিত অতি কম সময়ৰ ভিতৰতে এক কোটিতকৈও অধিক টকাসংগৃহীত হৈছিল।

(ঝ) বৃটিছে প্ৰদান কৰা উপাখি আৰু সন্মান বৰ্জন কৰা হৈছিল ।

**৪। আইন অমান্য আন্দোলনৰ মূল লক্ষ্য কি আছিল ? এই আন্দোলনৰ মূল বৈশিষ্ট্য কি আছিল ?**

**উত্তৰঃ ( ক ) লক্ষ্য :-** ১৯৩০ চনৰ ৩১ জানুৱাৰীত মহাত্মা গান্ধীয়ে ভাইচৰয় আৰউইনক ভাৰতত ব্ৰিটিছ শাসনৰ কুপ্ৰভাৱ দূৰ কৰিবলৈ সতৰ্ক কৰি দিছিল আৰু তেওঁৰ হাতত কিছুমান দাবী সম্বলিত এখন পত্ৰ প্ৰদান কৰিছিল । এই দাবীসমূহ হলঃ-

(i) মাদক দ্ৰব্যৰ প্ৰচলন বন্ধ কৰা ।

(ii) টকা আৰু ষ্টাৰ্লিঙৰ অনুপাত পৰিৱৰ্তন কৰা ।

(iii) মাটিৰ খাজনা আৰু সৈন্য বাহিনীৰ ব্যয় হ্ৰাস কৰা ।

(iv) লাােণ কৰ আৰু অপৰাধ অনুসন্ধান শাখাৰ বিলুপ্ত কৰা ।

(v) প্ৰশাসনীয় ব্যয় হ্ৰাস কৰা ।

(vi) বিদেশী বস্ত্ৰৰ ওপৰত সীমা শুল্ক আৰাােপ কৰা।

(vii) ডাক সংৰক্ষণ বিধেয়ক গৃহীত কৰা ।

(viii) সকলাে ৰাজনৈতিক বন্দীক মুকলি কৰা ।

(ix) আত্মৰক্ষাৰ বাবে সাধাৰণ নাগৰিকক অস্ত্ৰ – শস্ত্ৰ ৰখাৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা ।

**(খ) বৈশিষ্ট্যঃ** আইন অমান্য আন্দোলনে দেশৰ লাােণ আইন ভংগ কৰাত গুৰুত্ব আৰাােপ কৰিছিল । কেৱল চৰকাৰেহে লাােণ প্ৰস্তুত কৰি জনসাধাৰণক বিক্ৰী কৰিব পাৰিছিল । ব্ৰিটিছ চৰকাৰৰ এই আইনক গান্ধীজীয়ে প্ৰত্যাহ্বান জনাইছিল । সেয়ে , এই আন্দোলন লাােণ সত্যাগ্ৰহৰ জৰিয়তে সূচনা হৈছিল । ১৯৩০ চনৰ ১২ মাৰ্চত ৭৮ জন অনুগামীৰ সৈতে গান্ধীজীয়ে সমুদ্ৰ উপকূলত অৱস্থিত দাণ্ডিলৈ যাত্ৰা কৰিছিল আৰু সাগৰৰ পানী উতলাই লাােণ প্ৰস্তুত কৰিছিল । অতি কম সময়ৰ ভিতৰতে এই আন্দোলন দেশৰ সকলাে ঠাইতে ব্যাপ্ত হৈ পৰিছিল আৰু লাােণ আইন ভংগৰ জৰিয়তে ব্ৰিটিছৰ বিৰাােধিতা কৰিছিল । খান আব্দুল গফৰ খানৰ নেতৃত্বত ৰেড চাৰ্টছ'হিচাপে জ্ঞাত ‘খুদাই খিটমদগাছ ‘ ( ঈশ্বৰৰ সেৱক ) সকলে আন্দোলনটোৰ পৰিচালনা কৰিছিল।শ শ মহিলাই

এই আন্দোলনত যাোগদান কৰিছিল যিয়ে মহাত্মা গান্ধীৰ লাোণ আইন ভংগ কৰা ধাৰণাটো সমৰ্থন কৰিছিল । এই আন্দোলনত গান্ধীজীৰ লগতে হেজাৰ হেজাৰ স্বাধীনতা প্ৰেমী লাোকক গ্ৰেপ্তাৰ কৰা হয় ।

**৫। কি পৰিস্থিতিত ভাৰত ত্যাগ আন্দোলনৰ সূচনা হৈছিল ? ভাৰতৰ স্বাধীনতা সংগ্ৰামত এই আন্দোলনৰ কাৰ্যসূচীক তুমি মাইলৰ খুটি হিচাপে সাব্যস্ত কৰিব খোজানে ? তোমাৰ মতামতৰ সমৰ্থনত যুক্তি দিয়া ।**

**উত্তৰঃ** দেশৰ স্বাধীনতা লাভৰ বাবে মহাত্মা গান্ধীয়ে আৰম্ভ কৰা শেহৰটো গণ আন্দোলন আছিল ভাৰত ত্যাগ আন্দোলন । গান্ধীজীৰ মতাদৰ্শক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে ১৯৪২ চনৰ আগষ্টত ৱাৰ্ধাত মিলিত হৈ ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত কৰে । ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্টত বাোম্বাইত মিলিত হৈ নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ভাৰত ত্যাগ প্ৰস্তাৱৰ কিছুৰূপান্তৰ ঘটাই ইয়াক গৃহীত কৰে ।

ভাৰত ত্যাগ আন্দোলনৰ সূচনা হাোৱা পৰিস্থিতি কেইটা তলত উল্লেখ কৰা হ’ল-

(ক) ক্ৰিপছমিছনৰ ব্যৰ্থতা ।

(খ) জাপানৰ ভাৰত আক্ৰমণৰ ভাবুকি ।

( গ ) পূৰ্ববংগৰ সন্ত্ৰাস ।

( ঘ ) ব্ৰিটিছে ভাৰতক সুৰক্ষা প্ৰদান কৰিব নাোৱাৰিব বুলি ভাৰতীয়সকলৰ মনত সঞ্চাৰ হাোৱা উপলব্ধি ।এই তীব্ৰ গণ আন্দোলনে ভাৰতৰ ব্ৰিটিছ চৰকাৰৰ ভেটি কঁপাই তুলিছিল । এই ঘটনাই স্বাধীনতা প্ৰাপ্তিৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিছিল ।

**৬। ভাৰতীয় জাতীয় সেনা বাহিনীৰ বিষয়ে এটা চমুটোকা লিখা ।**

**উত্তৰঃ** দ্বিতীয় বিশ্বযুদ্ধত জাপানী সৈন্যৰ ওচৰত আত্মসমৰ্পণ কৰা ভাৰতীয় বিষয়া কেপ্টেইন মাোহন সিঙে ভাৰতীয় জাতীয় সেনাবাহিনীৰ ধাৰণাটো পাোন প্ৰথমে পাোষণ কৰিছিল । ১৯৪২ চনৰ মাৰ্চ মাহত টকিঅ’ত বিদেশবাসী ভাৰতীয়সকলক লৈ অনুষ্ঠিত এখন সভাত ভাৰতীয় স্বতন্ত্ৰ লীগ গঠন কৰা হৈছিল ।

১৯৪২ চনৰ জুন মাহত বেংককত অনুষ্ঠিত সন্মিলনত ৰাসবিহাৰীবসুক ইয়াৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয় । এই সন্মিলনতেই ভাৰতীয় জাতীয় সেনাবাহিনী বা আজাদ হিন্দ ফৌজ পুনৰুজ্জীৱিতকৰণৰ সিদ্ধান্ত লাোৱা হয় । এই লীগে সুভাষ চন্দ্ৰ বসুক

জাপানলৈ নিমন্ত্ৰণ জনায় আৰু তেওঁ উপস্থিত হাােৰাত ভাৰতীয় স্বতন্ত্ৰ লীগৰ সভাপতিৰ আসনখন তেওঁক যাচে ।

১৯৪৩ চনৰ ২১ অক্টোবৰত ছিংগাপুৰত স্বাধীন ভাৰতৰ প্ৰাদেশিক চৰকাৰ বা আজাদ হিন্দ চৰকাৰ গঠন কৰি সুভাষ চন্দ্ৰ বসুৱে ব্ৰিটিছ – মুক্ত ভাৰত গঠনৰ সংকল্প লয়। তেওঁ জাতীয় সেনা বাহিনীটোৰ পুনৰগঠন কৰে। মহিলা সমন্বিতে বহুতাে সাধাৰণ লাােকক সৈন্য বাহিনীত ভৰ্তি কৰা হয় ।

মহিলাসকলৰ বাহিনীটোক ঝান্সিৰাণী ৰেজিমেন্ট ’ নামেৰে নামকৰণ কৰা হয় । ভাৰতীয় জাতীয় সেনা বাহিনীয়ে জাপানৰ লগ লাগি ব্ৰিটিছসকলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল । ভাৰতীয় জাতীয় সেনা বাহিনীৰ শ্লোগান আছিল ‘জয় হিন্দ’ । সুভাষ চন্দ্ৰ বসুৰ ‘ মাােক তেজ দিয়া আৰু মই তাােমালাােকক স্বাধীনতা দিম ’ উক্তিটোৱে তেওঁৰ অনুগামীসকলক অনুপ্ৰাণিত কৰিছিল ।

জাপানৰ পৰাজয় আৰু আত্মসমৰ্পনে ভাৰতীয় জাতীয় সেনাবাহিনীটোৰ ভাগ্য স্তিমিত কৰিছিল । ১৯৪৫ চনত সংঘটিত হাােৰা এক বিমান দুৰ্ঘটনাত সুভাষ চন্দ্ৰ বসুৱে মৃত্যুবৰণ কৰে বুলি অনুমান কৰা হৈছে । ভাৰতীয় জাতীয় সেনাবাহিনীয়ে স্বাধীনতা প্ৰাপ্তিৰ হকে ভাৰতৰ জাতীয় সংগ্ৰামত স্মৰণীয় ভূমিকা পালন কৰিছিল , যাৰ জৰিয়তে ইয়াৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় মনাােযাােগ নিবদ্ধ হৈছিল ।